| | | |
|---|---|---|
| 1971 | 186 | 180 |
| 1981 | 254 | 216 |
| 1991 | 286 | 274 |
| 2001 | 340 | 324 |
| 2011 | 397 | 382 |

উৎস : Economic Survey, Assam 2003-2004

2.5. **অসমত দ্ৰুত জনসংখ্যা বৃদ্ধিৰ কাৰণ (Causes of Rapid Population Growth in Assam) :** 1901 চনৰ পৰা 2011 চনলৈকে অসমৰ জনসংখ্যা সম্পৰ্কীয় আলোচনাসমূহ লক্ষ্য কৰিলে দেখা পোৱা যায় যে অসমত জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট উচ্চ। অসমত জনসংখ্যা বৃদ্ধি কিয় উচ্চ হৈছে সেইয়া লক্ষ্য কৰিলে আমি তলত বৰ্ণনা কৰাৰ দৰে কাৰণসমূহ পাব পাৰো।

**(A) জীৱ বিজ্ঞান সম্বন্ধীয় কাৰণ (Biological Factors) :** বহুতো অৰ্থনীতিবিদৰ মতে অসমত জনসংখ্যা বৃদ্ধি সৰ্বোচ্চ হোৱা এটা কাৰণ হ'ল জীৱন বিজ্ঞান সমন্ধীয় কাৰকসমূহ। এই কাৰকসমূহ হ'ল (১) উচ্চ জন্মহাৰ (২) নিম্ন মৃত্যুৰ হাৰ আৰু (৩) বৰ্দ্ধিত প্ৰাকৃতিক বৃদ্ধিৰ হাৰ।

**(১) উচ্চ জন্ম হাৰ :** অসমত জন্ম হাৰ অত্যাধিক হোৱাৰ কেইবাটাও কাৰণ আছে। সেইয়া হ'ল— (ক) সাৰ্বজনীন বিবাহ (খ) কম বয়সত বিবাহ আৰু (গ) মহিলাৰ উৎপাদন ক্ষমতাৰ দীৰ্ঘম্যাদিতা। আমাৰ অসমৰ এগৰাকী স্বাভাৱিক মহিলাই 15 বছৰ বয়সৰ পৰা 49 বছৰ বয়সলৈকে সন্তান জন্ম দিব পৰা ক্ষমতা বহন কৰে। এনে মহিলাৰ সংখ্যা অসমৰ মুঠ মহিলাৰ 44 শতাংশৰ পৰা 47 শতাংশ পৰ্য্যন্ত হয়। অসমত মহিলাসকল অতি কম বয়সত বিয়া হোৱাৰ প্ৰৱণতা বেছি হয়। গতিকে গড় হিচাৱে সন্তান জন্ম দিব পৰা ক্ষমতাৰ উচ্চ হয়।

**(২) নিম্ন মৃত্যু হাৰ :** অসমত মৃত্যু হাৰ বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত যথেষ্ট বেছি আছিল। কিন্তু লাহে-লাহে এই হাৰ কমি যাবলৈ ধৰে। উদাহৰণস্বৰূপে 1951 চনত অসমত মৃত্যুৰ হাৰ আছিল প্ৰতি হেজাৰত 31.8 জন। কিন্তু 1961 চনত এই পৰিমাণ 26.9 জনলৈ কমে। 1971 চনত অসমত মৃত্যুৰ হাৰ আছিল 16.2 জন। 1971 চনত মৃত্যু হাৰ আছিল 9.6। পুনৰ 2009 চনত মৃত্যুৰ হাৰ

আছিল মাথোন ৪.4 শতাংশ। অৱশ্যে বিশ্বৰ অন্যান্য সভ্য দেশৰ তুলনাত এইয়া যথেষ্ট বেছি। তথাপিও পূৰ্বৰ লগত তুলনা কৰিলে অসমত মৃত্যুৰ হাৰ বহুলাংশে কমি যোৱা দেখা পোৱা যায়। শিক্ষাৰ প্ৰসাৰ, জনস্বাস্থ্যৰ উন্নতি, পৰিয়াল পৰিকল্পনাৰ আঁচনিৰ প্ৰভাৱ আদিৰ বাবেই অসমত মৃত্যুৰ হাৰ কম হোৱা দেখা পোৱা যায়।

(৩) **বৰ্দ্ধিত প্ৰাকৃতিক বৃদ্ধিৰ হাৰ** ঃ মানুহৰ উচ্চ জন্ম হাৰ আৰু মৃত্যুৰ হাৰৰ মাজত পাৰ্থক্যক বৰ্দ্ধিত প্ৰাকৃতিক বৃদ্ধিৰ হাৰ বোলা হয়। 1901 চনৰ পৰা বৰ্তমানলৈকে জন্ম হাৰ আৰু মৃত্যুৰ হাৰ দুয়োটাৰে ক্ৰমশঃহ্ৰাসে বৰ্দ্ধিত প্ৰাকৃতিক হাৰকো নিম্নতম কৰি ৰাখিছে।

**(B) অৰ্থনৈতিক কাৰণসমূহ (Economic Factors)** ঃ সাধাৰণতে কোনো এখন দেশৰ জনসংখ্যা উচ্চ হাৰত বৃদ্ধি পোৱাৰ কেইবাটাও কাৰণ থাকে। এই উপাদানসমূহ হ'ল— (১) দৰিদ্ৰতা (২) কৃষিৰ প্ৰধান্য আৰু (৩) নগৰীকৰণৰ লেহেমীয়া গতি। তলত এইসমূহ আলোচনা কৰা হ'ল।

(১) **দৰিদ্ৰতা (Poverty)** ঃ 2011–2012 বৰ্ষৰ টেণ্ডুলকাৰ পদ্ধতি (Tendulkar Method) ৰ মতে গ্ৰাম্য এলেকাৰ যিবিলাক লোকৰ প্ৰতিদিনৰ উপাৰ্জন 27.20 টকাৰ সমান বা তাতোতকৈ কম তেনে ব্যক্তিক দৰিদ্ৰ ব্যাক্তি বোলা হয়। আকৌ নগৰীয়া এলেকাৰ যিবিলাক ব্যক্তিৰ প্ৰতিদিনৰ উপাৰ্জন 33.33 টকা বা তাতোতকৈ কম তেওঁলোকক দৰিদ্ৰ আখ্যা দিয়া হয়। টেণ্ডুলকাৰ পদ্ধতিৰ মতে অসমত 2011–12 চনত গ্ৰাম্য এলেকাত মুঠ 92.06 লাখ মানুহ দৰিদ্ৰ সীমাৰেখাত বসবাস কৰে আৰু 9.21 লাখ লোক নগৰ অঞ্চলত বসবাস কৰে। অৰ্থাৎ 2011–12 বৰ্ষত অসমত মুঠ 101.27 লাখ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। অসমৰ মুঠ জনসংখ্যা 2011 চনৰ লোকপিয়ল মতে 31169272 জন। এই হিচাপত 2011–12 চনত অসমত মুঠ দৰিদ্ৰতাৰ হাৰ হ'ল 33.89 শতাংশ। মন কৰিবলগীয়া কথা হ'ল দৰিদ্ৰতা, নিৰক্ষৰতা আৰু পুষ্টিহীন খাদ্য আদিয়ে এখন দেশৰ জনসাধাৰণৰ মাজত জনসংখ্যা বৃদ্ধিত প্ৰেৰণা যোগায়। বহুতো অৰ্থনীতিবিদে মানি লয় যে দৰিদ্ৰতা সমস্যাই জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়। পৰিয়াল এটাৰ উপাৰ্জন কমি থাকিলে অৰ্থাৎ দুখীয়া হ'লে তেনে লোকে একোটা বৃহৎ পৰিয়ালৰ সৃষ্টি কৰে। যাতে ঘৰখনৰ সকলোৰে

শ্ৰম কৰি পৰিয়ালৰ উপাৰ্জন বঢ়াব পাৰে। অৰ্থাৎ দৰিদ্ৰতাই জনসংখ্যা বৃদ্ধিত প্ৰত্যক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে।

(২) **কৃষিৰ প্ৰধান্য (Predominance of Agriculture)** ঃ অসমত জনসংখ্যা বৃদ্ধি পোৱাৰ অন্য এটা কাৰণ হ'ল কৃষিৰ প্ৰাধান্যতা। 2002--03 বৰ্ষত ৰাজ্যিক মুঠ ঘৰুৱা আয়ৰ 38.72 শতাংশ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ পৰা আহিছিল। অৱশ্যে লাহে-লাহে এই পৰিমাণ পৰিৱৰ্তন হোৱা দেখা পোৱা যায়। তালিকা নং- 2.13 ৰ পৰা আমি কৃষি আৰু আনুষংগিক খণ্ডৰ পৰা ৰাজ্যিক আয়লৈ হোৱা বৰঙনিক অতি সহজে উপলব্ধি কৰিব পাৰে।

**তালিকা নং- 2.13**

**ৰাজ্যিক আয়লৈ কৃষি খণ্ডৰ বৰঙণি**

| বছৰ | কৃষি আয় আনুষংগিক খণ্ডৰ মুঠ বৰঙনি (স্থিৰ মূল্যত) |
|---|---|
| 2004 – 2005 | 25.6 |
| 2005 – 2006 | 25.4 |
| 2006 – 2007 | 24.7 |
| 2007 – 2008 | 24.2 |
| 2008 – 2009 | 23.4 |
| 2009 – 2010 | 23.0 |
| 2010 – 2011 | 22.8 |
| 2011 – 2012 | 22.4 |

**উৎস : Economic Survey Assam 2011-12**

ওপৰৰ তালিকাৰ পৰা এটা কথা স্পষ্ট যে অসমৰ অৰ্থনীতি কৃষি খণ্ডৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু কৃষি নিৰ্ভৰশীল অৰ্থনীতিত সন্তানৰ সংখ্যা বৃদ্ধি পোৱাটোক কেতিয়াও আৰ্থিক বোজা বুলি গণ্য কৰা নহয়। কথিত আছে "বাৰ পো কুৰি নাতি, তেহে কৰিবা কুঁহিয়াৰ খেতি।" গতিকে শিশু শ্ৰমিক সৃষ্টিত পিতৃ-মাতৃয়ে প্ৰেৰণাৰ যোগান ধৰে আৰু দেশত জনসংখ্যা দিনক-দিনে বৃদ্ধি পায়।

(৩) **নগৰীকৰণৰ লেহেমীয়া গতি (Slow Pace of Urbanization)** ঃ

সঁচা অৰ্থত অসমত নগৰীকৰণ প্ৰক্ৰিয়া সঠিকভাৱে এতিয়াও আৰম্ভ হোৱা নাই বুলিব পাৰি। উদাহৰণস্বৰূপে 2001 চনত অসমত মাথোন 12.90 শতাংশ মানুহ নগৰ অঞ্চলত বসবাস কৰিছিল। ইয়াৰে 13.33 শতাংশ পুৰুষ আৰু 12.44 শতাংশ মহিলা। ঠিক একেদৰে 2011 চনৰ লোক পিয়ল মতে অসমৰ মুঠ জনসংখ্যাৰ মাথোন 14.080 শতাংশ লোক নগৰত বসবাস কৰে। নগৰীকৰণৰ কেইটামান সুবিধা আছে। সেইয়া হ'ল নগৰীকৰণে যৌথ পৰিয়ালৰ বিলুপ্তি ঘটায়, পৰিয়াল সীমিত কৰে, জনমুৰি আয় বৃদ্ধি কৰে, জীৱন নিৰ্বাহৰ মানদণ্ড বৃদ্ধি কৰে ইত্যাদি। কিন্তু অসমত নগৰীকৰণৰ অভাৱে জনসংখ্যা বৃদ্ধিত উৎসাহ জন্ম দিছে।

**সামাজিক কাৰণসমূহ (Social Factors) ঃ** অসমত জনসংখ্যা বৃদ্ধি পোৱাৰ বাবে কিছুমান সামাজিক কাৰণো জগৰীয়া। এই সামাজিক কাৰণসমূহ হ'ল—(১) সাৰ্বজনীন বিয়া (২) কম বয়সত বিয়া কৰোৱাৰ প্ৰথা (৩) নিৰক্ষৰতা (৪) ধৰ্মীয় আৰু সামাজিক দৃষ্টিভংগী (৫) অজ্ঞতা (৬) অন্যান্য কাৰণসমূহ। তলত এইসমূহক চমুকৈ আলোচনা কৰা হ'ল।

(১) **সাৰ্বজনীন বিয়া (Universality of Marriage) ঃ** অসমত বিয়া এক সাৰ্বজনীন প্ৰথা। আমাৰ দেশত প্ৰায় 92 শতাংশ মানুহ বিবাহপাশত আৱদ্ধ হয়। পুৰুষৰ ক্ষেত্ৰত 94 শতাংশ পুৰুষেই 40 বছৰৰ আগতেই বিবাহপাশত আৱদ্ধ হয়। পুনৰ 50 বছৰ বয়সৰ প্ৰতি 100 গৰাকী মহিলাৰ প্ৰায় 97 গৰাকী মহিলা বিবাহপাশত আৱদ্ধ হয়। অসমত বিবাহ এক প্ৰকাৰৰ সামাজিক স্বীকৃতি পুনৰ ই ধৰ্মীয় প্ৰয়োজনো পূৰণ কৰে। গতিকে দেশত বৈবাহিক সমন্ধ বেছি হোৱাৰ বাবে সন্তানৰ সংখ্যা বৃদ্ধি পায় আৰু জনসংখ্যাও বৃদ্ধি হয়।

(২) **কম বয়সত বিয়া কৰোৱাৰ প্ৰথা (Practice of Early Marriage)** ঃ অসমৰ প্ৰায় সকলোখিনি জনসাধাৰণেই গ্ৰাম্য জীৱন-যাপন কৰে। ফলত তেওঁলোকৰ জীৱন-যাপনৰ জটিলতা নেথাকে। গতিকে কম বয়সত বিয়া কৰোৱাৰ প্ৰথা বৰ্তমানতো বিদ্যমান। কথা হ'ল যিমানে কম বয়সত বিবাহ কাৰ্য সম্পাদন কৰে, সন্তান জন্ম দিব পৰা ক্ষমতাও সিমানে বেছি হয়। অসমত আইনসংগতভাৱেও 18 বছৰ বয়সত ছোৱালী আৰু 22 বছৰ বয়সত ল'ৰাই বিবাহপাশত আৱদ্ধ হ'ব পাৰে। গতিকে কম বয়সত বিবাহ কাৰ্য সম্পাদন হোৱাত